**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-06-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। দেশত ক্ৰীড়া আন্তঃগাঁথনিৰ সম্প্ৰসাৰণে গোলকীয় খেল মহাশক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ দিশত ভাৰতক আগুৱাই নিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। নৰেন্দ্ৰ মোদী চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে নৰেন্দ্ৰ মোদী এপ্ অথবা নমো এপৰ জৰিয়তে আৰম্ভ কৰা জন-মন সমীক্ষাৰ প্ৰথম দিনতে সমগ্ৰ দেশৰ ৫ লাখৰো অধিক লোকে এই সমীক্ষাৰ জৰিয়তে প্ৰতিক্ৰিয়া জনাইছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সন্ত্ৰাসবাদী আক্ৰমণেৰে উচতালে দেশখনৰ ভিতৰ ভাগলৈ গৈ আক্ৰমণ চলোৱা হ'ব বুলি সঁকিয়াই দিছে।

৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চ পৰ্য্যায়ৰ বৈঠকত দেশত বান ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ বুজ লয়।

*আৰু*

৫। সুৰক্ষা বাহিনীয়ে আজি জম্মু-কাশ্মীৰৰ ৰাজৌৰী জিলাৰ এটা দুৰ্গম অঞ্চলত সন্ত্ৰাসবাদীৰ এটা গোপন ঘাটি উচ্ছেদ কৰে।

ooooo

দেশত ক্ৰীড়া আন্তঃগাঁথনিৰ সম্প্ৰসাৰণে গোলকীয় খেল মহাশক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ দিশত ভাৰতক আগুৱাই নিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ এটা প্ৰৱন্ধ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে আজি কয়, যে যুৱক-যুৱতীসকলক কেন্দ্ৰ হিচাপে লৈ দেশত ক্ৰীড়া আন্তঃগাঁথনিৰ অভূতপূৰ্ব বিকাশ কৰা হৈছে।

প্ৰৱন্ধটোত শ্ৰীমন্দাভিয়াই বিগত ১১ বছৰত ভাৰতত ক্ৰীড়া আন্তঃগাঁথনিৰ উল্লেখনীয় পৰিৱৰ্তন হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিগত এটা দশকত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বাজেট ৩ গুণৰো অধিক বৃদ্ধি হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত ২০৪৭ চনৰ ভিতৰত নিজকে উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰ দিশে কাষ চাপি যোৱাৰ লগে লগে খেল, দেশৰ বিকাশ গাঁথাক সঠিক ৰূপ প্ৰদানৰ শক্তিৰূপে পৰিগণিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় খেল জগত গোলকীয় পৰ্য্যায়ত নতুন শিখৰত উপনীত হ'বলৈ সমৰ্থ হৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমন্দাভিয়াই কয়, যে ভাৰতে ২০৩৬ চনত অলিম্পিকৰ আয়োজন কৰাৰ সময়ত ক্ৰীড়াৰ দিশৰ পৰা শীৰ্ষ ১০ খন ৰাষ্ট্ৰৰ ভিতৰত আৰু ২০৪৭ চনত স্বাধীনতা লাভৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত শীৰ্ষৰ ৫ খন ৰাষ্ট্ৰৰ ভিতৰত দেশৰ নাম অন্তৰ্ভুক্ত হোৱাটো প্ৰধানমন্ত্ৰীৰ সপোন।

০০০০০

নৰেন্দ্ৰ মোদী চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে নৰেন্দ্ৰ মোদী এপ্ অথবা নমো এপৰ জৰিয়তে আৰম্ভ কৰা জন-মন সমীক্ষাৰ প্ৰথম দিনতে সমগ্ৰ দেশৰ ৫ লাখৰো অধিক লোকে এই সমীক্ষাৰ জৰিয়তে প্ৰতিক্ৰিয়া জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দেশবাসীক বিগত ১১ বছৰত দেশৰ বিকাশ যাত্ৰা সন্দৰ্ভত নমো এপৰ জৰিয়তে সমীক্ষাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। এই সমীক্ষাই জনসাধাৰণৰ সৈতে চৰকাৰক পোনপটীয়াকৈ প্ৰতিক্ৰিয়া আৰু দিহা-পৰামৰ্শ আগবঢ়োৱাৰ মঞ্চ প্ৰদান কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰতিক্ৰিয়া সংগ্ৰহেৰে এই সমীক্ষাৰ জৰিয়তে জনসাধাৰণৰ মতামত শুনা আৰু ভৱিষ্যতে নীতি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ দিহা-পৰামৰ্শ বিবেচনা কৰাটো সুনিশ্চিত কৰা হৈছে। ৫ লাখৰো অধিক প্ৰতিক্ৰিয়াৰে এই সমীক্ষা পোনপটীয়া আৰু ফলপ্ৰসভাৱে জনসাধাৰণৰ সৈতে সংযুক্ত হোৱাৰ গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ইছলামাবাদক আন্তঃসীমা সন্ত্ৰাসবাদৰ ক্ষেত্ৰত সহযোগিতা আগ নবঢ়াবলৈ সঁকিয়াই দিছে। তেওঁ লগতে কয়, যে শেহতীয়াকৈ পেহেলগামত হোৱা আক্ৰমণৰ দৰে পাকিস্তানে যদি কোনো ধৰণৰ প্ৰৰোচনাত পৰি ভাৰতক পুনৰ আক্ৰমণ কৰাৰ চেষ্টা কৰে, তেন্তে ভাৰতে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব। মন্ত্ৰীজনে আমেৰিকাৰ এখন ডিজিটেল বাতৰি কাকতৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত এইদৰে প্ৰকাশ কৰে। ড০ জয়শংকৰে লগতে কয়, যে চীনে পাকিস্তানৰ সৈতে থকা আত্মীয়তাৰ আঁৰত সন্ত্ৰাসবাদৰ পোষকতা কৰিব নোৱাৰে। তেওঁ লগতে কয়, যে সন্ত্ৰাসবাদে সকলো ধৰণৰ লোকৰ জীৱনক প্ৰভাৱান্বিত কৰে। ফ্ৰান্স ভ্ৰমণৰত মন্ত্ৰীজনে দেশখনৰ আন এখন বাতৰি কাকতক দিয়া এটা সাক্ষাৎকাৰত কয়, যে ভাৰত আৰু চীনে এখোজ দুখোজকৈ আগুৱাই দেশ দুখনৰ সম্পৰ্কক উন্নীত কৰিব পাৰে। লগতে কোৱিডকালৰ পাছৰ সময়ছোৱাৰ পৰা দেশ দুখনৰ মাজৰ পোনপটীয়া যুদ্ধত যতি পৰা বুলিও তেওঁ লগতে উল্লেখ কৰে। তেওঁ জনায় যে, ভাৰতৰ যুদ্ধ সন্ত্ৰাসবাদৰ বিৰুদ্ধেহে, কোনো এখন বিশেষ দেশৰ বিৰুদ্ধে নহয়। ড০ জয়শংকৰে লগতে আঙুলিয়াই দিয়ে যে, ভাৰতবৰ্ষই সন্ত্ৰাসবাদক কোনো পধ্যেই উদগনি নোযোগায়। ইয়াৰ বিপৰীতে পাকিস্তানে বহু বছৰৰ আগৰে পৰাই সন্ত্ৰাসবাদীলৈ পোনপটীয়া সহযোগিতা আগবঢ়াই আহিছে।

ভূ-ৰাজনৈতিক বিষয়সমূহৰ সন্দৰ্ভত হোৱা আলোচনাত মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতবৰ্ষই ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ সংঘৰ্ষৰ অন্ত পৰাটো বিচাৰে। তেওঁ লগতে কয়, যে ভাৰতবৰ্ষই মস্কো আৰু কীভৰ সৈতে বাৰ্তালাপত অংশ লৈছিল, কাৰণ বিবাদ নিষ্পত্তিৰ কেৱল শান্তিয়েই এটা প্ৰক্ৰিয়া বুলি ভাৰতে বিশ্বাস কৰে। তেওঁ লগতে আশা প্ৰকাশ কৰে যে, শীঘ্ৰেই অহা মাহৰ ৯ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে অন্ত পৰিবলগীয়া শুল্ক ব্যৱস্থাৰ ক্ষেত্ৰত এখন বাণিজ্যিক চুক্তিত স্বাক্ষৰ কৰিব পৰা যাব।

০০০০০

সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতিৰ বিষয়ে বিশ্বক অৱগত কৰাৰ উদ্দেশ্যে গঠন কৰা সাতটা সৰ্বদলীয় সংসদীয় প্ৰতিনিধি দলৰ ভিতৰত কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ অন্তিমটো দল আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, গুয়েনা, ব্ৰাজিল আৰু কলম্বিয়াৰ সফল ভ্ৰমণ সামৰি আজি স্বদেশলৈ উভতি আহে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীথাৰুৰে কয়, যে প্ৰতিনিধি দলটোৱে ভ্ৰমণকালত কেইবালানিও বৈঠকত মিলিত হয় আৰু এই বৈঠকত তেওঁলোকে ভাৰতৰ উদ্বেগ সন্দৰ্ভত ইতিবাচক সঁহাৰি লাভ কৰে।

অপাৰেচন সিন্দূৰ সন্দৰ্ভত কলম্বিয়াই দি প্ৰত্যাহাৰ কৰা বিবৃতিৰ বিষয়ে উল্লখ কৰি শ্ৰীথাৰুৰে কয়, যে প্ৰতিনিধি দলটোৱে প্ৰকৃততে দেশখনে পূৰ্বতে লোৱা স্থিতি সলনি কৰিবলৈ বাধ্য কৰায়।

অন্য এটা সৰ্বদলীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰা বিজেপি সাংসদ ৰবিশংকৰ প্ৰসাদে আজি কয়, যে দলটোৱে তেওঁলোকৰ ভ্ৰমণকালত হোৱা বৈঠকত সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰে। দলটোৱে ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয় সংঘ, ইটালী আৰু ডেনমাৰ্ক ভ্ৰমণ কৰে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীপ্ৰসাদে কয়, যে দলটোৱে বিভিন্ন দেশৰ সংসদৰ অধ্যক্ষ, সাংসদ, বিদেশ মন্ত্ৰী আৰু উপ-বিদেশ মন্ত্ৰীক সাক্ষাৎ কৰে। তেওঁ কয়, যে পাকিস্তানযে সামৰিক-জেনেৰেলৰ শঠা মিতিৰালিৰ কৰলত আছে আৰু ইয়াৰ অনুচিত কাৰ্য্য-কলাপ সন্ত্ৰাসবাদীয়ে ৰূপায়ণ কৰে, সেই বিষয়ে বিশ্বই বুজা উচিত।

ooooo

ইউক্ৰেইনৰ কীভ আৰু অ'ডেছাত ৰাছিয়াৰ ড্ৰ'ণ আৰু মিছাইল আক্ৰমণত কমেও দুজন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১৩ৰো অধিক আহত হৈছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে, যে ৰাছিয়াই যোৱা নিশা ৩১৫ টাৰো অধিক ড্ৰ'ণেৰে আৰু সাতটা ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলায়। ইউক্ৰেইনৰ বায়ু সেনা বাহিনীয়ে ২৮৪ টা ড্ৰ'ণ আৰু সাতোটা ক্ষেপণাস্ত্ৰ ব্যৰ্থ কৰা বুলি দাবী কৰিছে।

ইপিনে, ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে দেশখনৰ সেনা বাহিনীয়ে ইউক্ৰেইনৰ ৰাজধানী কীভৰ সামৰিক-ঔদ্যোগিক স্থানসমূহক লক্ষ্য কৰি দীৰ্ঘ দূৰত্বভেদি অস্ত্ৰৰে আক্ৰমণ চলোৱা বুলি প্ৰকাশ কৰিছে। আক্ৰমণত বিমান, ক্ষেপণাস্ত্ৰ, কৰচ আৰু জাহাজ নিৰ্মাণ সুবিধাক লক্ষ্য কৰি লোৱা বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘৰ্ষ আৰম্ভ হোৱাৰ পাছত এয়া আকাশমাৰ্গেৰে ৰাছিয়াৰ সৰ্ববৃহৎ আক্ৰমণ বুলি অভিহিত কৰা হৈছে।

ooooo

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাষা বিজ্ঞানৰ উন্নতিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ভাষা প্ৰযুক্তিৰ ক্ষেত্ৰত লোৱা পদক্ষেপসমূহ প্ৰশংসনীয়। তামিলনাডুৰ চেন্নাইত ভি ডি অ' কনফাৰেন্সিঙৰ জৰিয়তে এ আই তামিল পদক্ষেপৰ উদ্বোধন কৰি শ্ৰীবৈষ্ণৱে কয়, যে ভাৰতৰ পুৰণি ভাষাসমূহৰ মাজৰ এটা ভাষা তামিলক একত্ৰিত কৰাৰ ক্ষেত্ৰত এই ব্যৱস্থা যথেষ্ট সহায়ক হ'ব। তেওঁ লগতে কয়, যে তামিল এ আইৰ জৰিয়তে কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব। তেওঁ আৰু কয়, যে বিভিন্ন ইলেকট্ৰনিক সামগ্ৰী যেনে - লেপটপ, মোবাইল ফোন আৰু চাৰ্জাৰ নিৰ্মাণৰ বাবেও এতিয়াৰে পৰা এখন ডাঙৰ বজাৰ গঢ় লৈ উঠিব।

ooooo

ৰাষ্ট্ৰীয় কাৰিকৰী বস্ত্ৰ মিছন আৰু উৎপাদন আধাৰিত উদগনি আঁচনিৰ লেখিয়া গুৰুত্বপূৰ্ণ উদ্যমৰ বাবে দেশৰ প্ৰযুক্তিগত বস্ত্ৰখণ্ডৰ  অভূতপূৰ্ব বিকাশ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰা এটা পোষ্টৰ উত্তৰত শ্ৰীমোদীয়ে আজি কয়, যে এই প্ৰচেষ্টাসমূহে ঘৰুৱা উৎপাদন আৰু উদ্ভাৱনৰ প্ৰসাৰত  অৰিহণা যোগোৱাৰ লগতে ৰপ্তানি বৃদ্ধি কৰিছে। ফলস্বৰূপে কাৰিকৰী বস্ত্ৰৰ ক্ষেত্ৰত গোলকীয় নেতাৰূপে ভাৰতৰ উত্তৰণ ঘটিছে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চ পৰ্য্যায়ৰ বৈঠকত দেশত বান ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে বানৰ বিভীষিকা দূৰ কৰাৰ বাবে লোৱা দীৰ্ঘকালীন ব্যৱস্থাৰো পৰ্য্যালোচনা চলায়।

ooooo

দিল্লীৰ দ্বাৰকাৰ ১৩ নম্বৰ খণ্ডত অৱস্থিত ছবদ এপাৰ্টমেণ্টৰ সপ্তম মহলাৰ এটা ফ্লেটত হোৱা অগ্নিকাণ্ডত আজি এগৰাকী ব্যক্তি আৰু দুটি শিশুৱে প্ৰাণ হেৰুৱায়। দিল্লীৰ অগ্নি সেৱা বিভাগে প্ৰকাশ কৰা মতে, জুই নুমুৱাবৰ বাবে বিভাগৰ  ৮ খন গাড়ী ঘটনাস্থলীত উপস্থিত হয়। তিনিজন লোকে নিজক বচাবৰ বাবে সপ্তম মহলাৰ পৰা জঁপিয়ায়। তেওঁলোকক চিকিৎসালয়লৈ নিয়া হয় যদিও তেওঁলোকক মৃত বুলি ঘোষণা কৰা হয়।

ooooo

সুৰক্ষা বাহিনীয়ে আজি জম্মু-কাশ্মীৰৰ ৰাজৌৰী জিলাৰ এটা দুৰ্গম অঞ্চলত সন্ত্ৰাসবাদীৰ এটা গোপন ঘাটি উচ্ছেদ কৰে। আৰক্ষী আৰু সেনা বাহিনীয়ে চলোৱা যুটীয়া অভিযানত এই ঘাটিটো উৎখাট কৰা হয়। সুৰক্ষা বাহিনীয়ে ঘাটিটোৰ পৰা ১০ টা আন্দাৰবেৰেল গ্ৰেনেড লঞ্চাৰ আৰু অন্যান্য সা-সামগ্ৰী উদ্ধাৰ কৰিছে। অৱশ্যে এই ঘটনা সন্দৰ্ভত কোনো লোকক গ্ৰেপ্তাৰ কৰা হোৱা নাই।

ooooo

সমাপ্ত